Total No. of Printed Pages—4

**4 SEM FYUGP ASMC4B**

**2025**

( June )

ASSAMESE

( Core )

Paper : ASMC4B

**( ভাৰতীয় আৰ্যভাষাৰ পৰিচয়মূলক ইতিহাস )**

*Full Marks* : 60

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

১। চমুকৈ উত্তৰ দিয়াঁ (যি কোনো ছটা) : ১×৬=৬

(ক) আৰ্যসকলে ভাৰতবৰ্ষত পোনপ্ৰথমে ক'ত বসতি আৰম্ভ কৰিছিল ?

(খ) ঋক্‌বেদৰ ভাষা কি ?

(গ) 'শৃংগাৰশতক' কোনে ৰচনা কৰিছিল ?

(ঘ) 'খোটানী ধম্মপদ' কোন সময়ৰ ৰচনা ?

(ঙ) সংস্কৃত নাটকৰ গীতৰ ভাষা কি?

(চ) 'গাহাসত্তসঈ'ৰ সংগ্ৰাহক কোন?

(ছ) 'সন্দেশ ৰাসক' কোন ভাষাৰ পুথি?

(জ) অসমীয়া ভাষাটো নব্য-ভাৰতীয় আৰ্যভাষাৰ কোনটো শাখাৰ অন্তৰ্গত?

২। (ক) ভাৰতলৈ আৰ্যসকলৰ আগমন আৰু বসতি-বিস্তাৰ সম্পৰ্কে এটি টোকা লিখাঁ। ১০

*অথবা*

(খ) ভাৰতীয় আৰ্যভাষাৰ বিভিন্ন স্তৰ-উপস্তৰ সামৰি বিকাশৰ বিষয়ে লিখাঁ।

৩। অসমীয়ালৈ অনুবাদ কৰাঁ (যি কোনো চাৰিছোৱা) : ৩×৪=১২

(ক) অগ্নিমীলে পুৰোহিতং যজ্ঞস্য দেৱমৃত্বিজং হোতাৰং ৰত্নধাতমম্ ।।

(খ) সাহিত্য সংগীতকলা ৰিহীনঃ সাক্ষাৎপশুঃ
পুচ্ছবিষাণহীনঃ।
তৃণং ন খাদন্নপি জীৱমানস্তদভাগধেয়ং পৰমং পশূনাম ।।

(গ) বহুকং হি দোসং সমাজম্হি পস্তি দেৱানং প্ৰিয়ো প্ৰিয়দসি ৰাজা।





(ঘ) সে অজ য়দা অয়ং ধংম লিপি লিখিতাতী এৱ প্ৰাণা আৰভৰে সুপাথায়— দ্বো মোৰা, একো মগো। স পি মগো ন ধ্ৰুৱো।

(ঙ) এতং বিসেসতো ঞত্বা অপ্পমাদম্হি পণ্ডিতা।
অপ্পমাদে পমোদন্তি অৰিয়ানং গোচৰে ৰতা ।।

(চ) সত্ত সতাইং কইৱচ্ছলেণ কোডীঅ মজ্ঝআৰম্মি।
হালেন বিৰই-আইং সালকাৰাণং গাহাণং।।

(ছ) মানুস্স দিব বিজ্জাহৰেহি
নহমগ্গি ঘূৰ সসিবিম্বে।
আত্ৰহি জো নমিজ্জই
তংনয়ৰে নমহ কতাৰং ।।

৪। (ক) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ লিখাঁ। ১০

*অথবা*

(খ) প্ৰাচীন ভাৰতীয় আৰ্যভাষা অধ্যয়নৰ সমলসমূহৰ বিষয়ে এটি টোকা লিখাঁ।

৫। (ক) মধ্য ভাৰতীয় আৰ্যভাষাৰ প্ৰত্যেকটো স্তৰৰ সাহিত্যিক নিদৰ্শনসমূহৰ বিষয়ে এটি নিবন্ধ প্ৰস্তুত কৰাঁ। ১২

*অথবা*

(খ) পালি ভাষাৰ ভাষিক বৈশিষ্ট্যসমূহ লিখাঁ।

৬। (ক) নব্য-ভাৰতীয় আৰ্যভাষা কাক বোলে? নব্য-ভাৰতীয় আৰ্যভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ লিখাঁ। ২+৮=১০

*অথবা*

(খ) নব্য-ভাৰতীয় আৰ্যভাষাৰ শাখা-প্ৰশাখাসমূহ দেখুৱাই এটি পৰিচয়মূলক টোকা লিখাঁ। ১০

★★★

Total No. of Printed Pages—3

**4 SEM FYUGP ASMC4C**

**2025**

( June )

ASSAMESE

( Core )

Paper : ASMC4C

**( অসমীয়া কবিতা )**

*Full Marks* : 60

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৭=৭

(ক) 'সাগৰতলীৰ শংখ' নামৰ গ্ৰন্থখন কোনে সম্পাদনা কৰিছে ?

(খ) 'চৰ্যাগীতিকোষ' নামৰ গীতৰ পুথিখন হৰপ্ৰসাদ শাস্ত্ৰীয়ে ক'ৰ পৰা উদ্ধাৰ কৰিছিল ?

(গ) 'হৰগৌৰী সংবাদ' কোনে ৰচনা কৰিছিল ?

(ঘ) প্ৰথম অসমীয়া ছনেট কোনে ৰচনা কৰিছিল ?

(ঙ) নলিনীবালা দেৱীৰ এখন কবিতা-পুথিৰ নাম লিখাঁ।

(চ) দেৱকান্ত বৰুৱাৰ একমাত্ৰ কবিতা-পুথিখনৰ নাম লিখাঁ।

(ছ) হীৰেন ভট্টাচাৰ্যই 'সাহিত্য অকাদেমী বঁটা' লাভ কৰা গ্ৰন্থখনৰ নাম কি ?

২। অসমীয়া কবিতাৰ ঐতিহাসিক পৰিক্ৰমাক কেইটা ভাগত ভাগ কৰিব পাৰি আৰু কি কি? ইয়াৰে যি কোনো এটা ভাগৰ কবিতাৰ বিশেষত্ব সম্পৰ্কে এটা আলোচনা আগবঢ়োৱাঁ। ২+১০=১২

৩। (ক) তোমাৰ পাঠ্য হেম সৰস্বতীৰ দ্বাৰা ৰচিত কাব্যাংশৰ কথাখিনি তোমাৰ ভাষাৰে বৰ্ণনা কৰাঁ। ১২

*অথবা*

(খ) তোমাৰ পাঠ্য 'হৰমোহনৰ দিব্য উপবনৰ পৰা' শীৰ্ষক কাব্যাংশৰ সহায়ত শংকৰদেৱৰ কাব্য-প্ৰতিভা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰাঁ।

৪। (ক) ৰোমাণ্টিক কবিতাৰ প্ৰধান লক্ষণসমূহ আলোচনা কৰাঁ। ১২

*অথবা*

(খ) ৰঘুনাথ চৌধাৰীৰ 'দহিকতৰা' কবিতাটোৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰি এটি আলোচনা আগবঢ়োৱাঁ।





৫। (ক) কবিৰ চমু পৰিচয় আগবঢ়াই 'মুঠি মুঠিকৈ কাটি তোৰ ঢেঁকীয়াৰ আঙুলি' কবিতাৰ কাব্যিক মূল্যায়ন আগবঢ়োৱাঁ। ৪+৮=১২

*অথবা*

(খ) কেশৱ মহন্তৰ 'সোণজিৰা মাহীৰ নাড়ী' কবিতাটোত প্ৰকাশিত মানৱীয় অনুভূতিৰ বিষয়ে আলোচনা কৰাঁ। ১২

৬। চমু টোকা লিখাঁ (যি কোনো এটা) : ৫

(ক) নৱকান্ত বৰুৱাৰ কবিতা

(খ) হীৰেন ভট্টাচাৰ্যৰ কবিতা

(গ) হোমেন বৰগোহাঞিৰ কবিতা

★★★

Total No. of Printed Pages—3

## 4 SEM FYUGP ASMC4D

## 2025

( June )

# ASSAMESE

( Core )

Paper : ASMC4D

## ( Introduction to Linguistics )

*Full Marks* : 60

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) ভাষা কাক বলে? ভাষাৰ মৌলিক উপাদানসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। ২+১০=১২

অথবা

(খ) চমুকৈ লিখাঁ : ৬+৬=১২

১। পিজিন

২। সামাজিক উপভাষা

২। (ক) ভাষাবিজ্ঞানৰ সংজ্ঞা নিৰ্ধাৰণ কৰি অধ্যয়নৰ পদ্ধতি অনুসৰি ভাষাবিজ্ঞানক কি কি ভাগত ভাগ কৰা হৈছে, আলোচনা কৰাঁ। ৩+৩+১০=১৬

অথবা

(খ) চমু টোকা লিখাঁ : ৮+৮=১৬

১। সমাজ ভাষাবিজ্ঞান

২। মনোভাষাবিজ্ঞান

৩। (ক) ধ্বনিবিজ্ঞান কাক বোলে? ধ্বনিবিজ্ঞান কেইটা প্ৰকাৰৰ আৰু কি কি? ধ্বনিবিজ্ঞানৰ প্ৰকাৰকেইটাৰ বিষয়ে আলোচনা কৰাঁ। ৩+৩+১০=১৬

অথবা

(খ) চমু টোকা লিখাঁ : ৮+৮=১৬

১। ৰূপতত্ত্ব

২। অৰ্থতত্ত্ব

৪। (ক) প্ৰাচীন যুগত ভাৰতত ভাষাচৰ্চা সম্পৰ্কে এটি আলোচনা কৰাঁ। ১০

অথবা

(খ) পাশ্চাত্য ভাষাচৰ্চাৰ প্ৰধান ধাৰা কেইটা আৰু কি কি? যি কোনো এটা ধাৰাৰ বিষয়ে আলোচনা কৰাঁ। ২+৮=১০





৫। উত্তৰ দিয়াঁ : ১×৬=৬

(ক) "ভাষাই মনৰ অভিজ্ঞতাক প্ৰতিনিধিত্ব কৰে।" কথাষাৰৰ বক্তা কোন?

(খ) পাণিনিৰ ব্যাকৰণখনক "মানৰ বুদ্ধিমত্তাৰ সৰ্বোৎকৃষ্ট নিদৰ্শন" বুলি কোনে কৈছিল?

(গ) কোনবিধ ভাষাবিজ্ঞানক 'গঠনাত্মক ভাষাবিজ্ঞান' বুলি অভিহিত কৰা হয়?

(ঘ) ধ্বনিবিজ্ঞানৰ কোনটো শাখাত কাইম'গ্ৰাফ ব্যৱহাৰ কৰা হয়?

(ঙ) 'ৰূপান্তৰ উৎপাদক ব্যাকৰণ' কাৰ ৰচনা?

(চ) 'Linguistic Survey of India' শীৰ্ষক গ্ৰন্থখনিৰ লেখক কোন?

★★★